নিয়মীয়া বাৰ্তা বৃহস্পতিবাৰ, ১০ এপ্ৰিল ২০২৫

## নৌসেনা গোটৰ দিছপুৰ মহাবিদ্যালয়ৰ এনচিচিৰ যৌথ উদ্যোগত

# দিছপুৰ কলেজত কেৰিয়াৰ পৰামৰ্শৰ বক্তৃতানুষ্ঠান সম্পন্ন




আৰ্য বিদ্যাপীঠ কলেজত ফেকাল্টী প্ৰশিক্ষণৰ কৰ্মশালা

মহানগৰ বাৰ্তা, ৯ এপ্ৰিল ঃ দিছপুৰ মহাবিদ্যালয়ত কালি কেৰিয়াৰ পৰামৰ্শ আৰু নিযুক্তি কোষ, ৪৮ অসম নৌসেনা গোটৰ দিছপুৰ মহাবিদ্যালয়ৰ এনচিচিৰ যৌথ উদ্যোগত এখন বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। 'ভাৰতীয় আৰক্ষী সেৱা ঃ এক সেৱা-কিয় আৰু কেনেকৈ যোগদান কৰিব লাগে' শীৰ্ষক বিষয়ত অনুষ্ঠিত বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকে আৰক্ষী আয়ুক্ত ড° পাৰ্থ সাৰথি মহন্ত। বক্তৃতা প্ৰদান কৰি ড° মহন্তই কয় যে ছাত্ৰ-ছাত্ৰীসকলে বিদ্যায়তনিক দিশতে জ্ঞান সীমাবদ্ধ নাৰাখি সৰ্বাংগীণ দিশত নিজকে আগবঢ়াই নিবলৈ চেষ্টা অব্যাহত ৰাখিব লাগে। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ এই যুগত ছাত্ৰ-ছাত্ৰীসকলে দক্ষতা বিকাশৰ ওপৰতো গুৰুত্ব প্ৰদান কৰাটো অতি প্ৰয়োজনীয়। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ৪৮ অসম নৌসেনাৰ এনচিচি বাহিনীৰ বিদায়ী কমাণ্ডিং অফিচাৰ দেৱানন্দ দলে। অনুষ্ঠানত দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাকে ধৰি মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীসকল উপস্থিত থাকে। অনুষ্ঠানটোত দিছপুৰ মহাবিদ্যালয়ৰ এনচিচি গোটৰ কেডেট কেপ্টেইন জাহানাৰা বেগমক দিছপুৰ মহাবিদ্যালয় নেচনেল কেডেট ক'ৰ্পছ সমৰ্থন এৱম প্ৰোৎসাহন যোজনাৰ অধীনত শ্ৰেষ্ঠ কেডেন সন্মানেৰে সন্মানিত কৰা হয়। অনুষ্ঠানত এনচিচিৰ চি চাৰ্টিফিকেট পৰীক্ষাত 'এ' গ্ৰেডেৰে উত্তীৰ্ণ হোৱা মহাবিদ্যালয়ৰ ২১গৰাকী কেডেটকো সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী নম্ৰতা থাপা, নীহাৰিকা ৰয়, নয়নিকা বৰা আৰু ৰকচিত শ্ৰীবাস্তৱক সম্বৰ্ধনা জনোৱা হয়।